জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৬১/২০২০**

**জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক আৰু চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ ভিডিঅ' কনফাৰেন্সযোগে বাৰ্তালাপ**

**বিধায়ক, সাংসদ তথা জিলাসমূহৰ দায়িত্বত থকা মন্ত্ৰীক লগত লৈ ক'ভিড-১৯ৰ বিৰুদ্ধে চলোৱা সকলো ব্যৱস্থাপনা নিয়াৰিকৈ কৰাৰ বাবে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

## ক'ভিড-১৯ ৰ বিৰুদ্ধে আৰু অৰ্থনীতি পুনৰুদ্ধাৰৰ বাবে ঐক্যবদ্ধভাৱে দৃঢ়তা আৰু আত্মবিশ্বাসেৰে যুঁজ দিব লাগিব ঃ মুখ্যমন্ত্ৰী

**বান ব্যৱস্থাপনাৰ বাবে ক'ভিড-১৯ৰ বিৰুদ্ধে চলোৱা যুঁজত অন্তৰ্ভুক্ত নোহোৱা জিলাসমূহৰ বিষয়া-কৰ্মচাৰীক নিয়োজিত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

**দিছপুৰ, ১৬ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ভিডিঅ' কনফাৰেন্সযোগে ক'ভিড-১৯ৰ বিৰুদ্ধে চলি থকা পদক্ষেপ তথা পৰৱৰ্তী সময়ৰ পদক্ষেপসমূহৰ বিষয়ে ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত ৰাজ্যখনৰ জিলাসমূহৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক তথা চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ সৈতে পৰ্যালোচনা কৰে।

পৰ্যালোচনাকালত মুখ্যমন্ত্ৰী সোণোৱালে জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক ক'ভিড-১৯ৰ বিৰুদ্ধে চলোৱা যুদ্ধত জিলাখনৰ স্থানীয় বিধায়ক, সাংসদ আৰু জিলাখনৰ দায়িত্বত থকা মন্ত্ৰীসকলক লগত লৈ সকলো ব্যৱস্থাপনা নিয়াৰিকৈ কৰাৰ বাবে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা যুঁজখন যিহেতু দীঘলীয়া হোৱাৰ সম্ভাৱনা আছে, সেয়েহে এই যুঁজৰ লগতে অৰ্থনীতি পুনৰুদ্ধাৰৰ বাবে ঐক্যবদ্ধভাৱে দৃঢ়তা আৰু আত্মবিশ্বাসেৰে সকলোৱে সন্মিলিতভাৱে যুঁজ দিব লাগিব বুলিও কয়। ৰাজ্যখনলৈ ৰে'লযোগে অন্য ৰাজ্যত কৰ্মসূত্ৰে বা অন্যান্য কাৰণত থকা লোকসকল প্ৰত্যাৱৰ্তন কৰিবলৈ আৰম্ভ কৰা হেঁতু এই ক্ষেত্ৰত স্থানীয় জনসাধাৰণক আস্থাত লৈ জনসাধাৰণৰ সহযোগেৰে এই ব্যক্তিসকলক হোম কোৱাৰেন্টাইন ব্যৱস্থা নিয়াৰীকৈ সম্পন্ন কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত গাঁও পৰ্যায়ৰ তথা খণ্ড পৰ্যায়ৰ কোৱাৰেন্টাইন মেনেজমেন্ট কমিটি গঠনৰ দিশত গাঁও পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধি, গাঁওবুঢ়া, গাঁওৰক্ষী বাহিনী, চাহ বাগিচাৰ লাইনৰ চৰ্দাৰ, স্থানীয় স্বেচ্ছাসেৱী সংগঠন ইত্যাদিৰ সৈতে আলোচনা কৰি ৰাইজক আস্থা আৰু বিশ্বাসত লৈ পদক্ষেপ গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্ত তথা আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়ে। গাঁৱলৈ ঘূৰি অহা

লোকক যাতে স্থানীয় ৰাইজে ভালদৰে স্বাগতম জনায়, হোম কোৱাৰেন্টাইনত থকাসকলক যাতে গাঁৱৰ ৰাইজে ইতিবাচক মানসিকতাৰে সেৱা আগবঢ়ায়, তাৰে বাবে এক অনুকূল পৰিৱেশ গঢ়ি তোলাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত জ্যেষ্ঠ নাগৰিক, বিভিন্ন বিষয়ত পাৰদৰ্শিতা থকা ব্যক্তিসকলৰ লগত কথা পাতি এক অনুকূল পৰিৱেশ সৃষ্টি কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে কয়। বিভিন্ন আঁচনিৰ হিতাধিকাৰীসকলে একেলগে আহি বেংকসমূহৰ পৰা টকা উলিওৱাৰ বাবে জুম বন্ধাৰ দিশটো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই দিশত বেংকৰ মেনেজাৰসকলৰ সৈতে কথা পাতি প্ৰয়োজনসাপেক্ষে এই দিশত এন চি চি, এন এছ এছৰ দৰে স্বেচ্ছাসেৱকসকলক নিয়োজনৰ ব্যৱস্থা কৰিবলৈও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। এই দিশত বিভিন্ন দিনত হিতাধিকাৰীসকলক মতাৰ ব্যৱস্থা কৰাৰো মুখ্যমন্ত্ৰীয়ে পোষকতা কৰে।

বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা এই যুঁজখনত বিগত দিনসমূহত জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীকে ধৰি অন্যান্য অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰীসকলে অহৰ্নিশে সেৱা আগবঢ়াই আছে বুলি উল্লেখ কৰি এই সেৱা আগবঢ়োৱাৰ বাবে সকলোকে আন্তৰিকতাৰে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ প্ৰত্যাহ্বান আৰু অধিক কঠিন হৈছে বুলি উল্লেখ কৰি আগন্তুক সময়তো 'টীম অসম'ৰ মানসিকতাৰে সকলোকে আত্মবিশ্বাস আৰু মনোবল অটুট ৰাখি উৎসৰ্গিত মনোভাৱেৰে সেৱা আগবঢ়োৱাৰ বাবে আহ্বান জনায়। আজিৰ এই ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত জিলাসমূহত থকা ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহে নিজৰ সম্পূৰ্ণ সামৰ্থ্য অনুযায়ী যাতে জনসাধাৰণলৈ চিকিৎসা সেৱা আগবঢ়ায় ইয়াৰ নিশ্চিতিকল্পে ব্যক্তিগতখণ্ডৰ চিকিৎসা প্ৰতিষ্ঠানসমূহৰ স্বত্বাধিকাৰীসকলৰ সৈতে মত-বিনিময় কৰি জিলা উপায়ুক্ত আৰু স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকে কাৰ্য ব্যৱস্থা লোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে স্বাস্থ্য বিভাগৰ তৰফৰ পৰা বিভিন্ন ক্ষেত্ৰত প্ৰয়োজনীয় ডাটা এন্ট্ৰি অপাৰেটৰ, লেবৰেটৰী টেকনিচিয়ান ইত্যাদিৰ দৰে পদৰীত ঠিকাভিত্তিক নিয়োজনৰ অনুমতি প্ৰদান কৰা হেতু এই দিশত শীঘ্ৰে ব্যৱস্থা লোৱাৰ বাবেও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে আৰক্ষী অধীক্ষক সকলক নিজৰ এলেকাৰ গাঁওৰক্ষী বাহিনীসমূহৰ সৈতে সঘনাই যোগাযোগ ৰক্ষা কৰি ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা যুঁজখনত তেওঁলোকৰ মনোবল বৃদ্ধি কৰাৰ বাবেও আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে জিলাসমূহৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক তেওঁলোকৰ তলত কাম কৰি থকা ক্ষেত্ৰ পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলক অনুপ্ৰাণিত কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে যাতে তেওঁলোকৰ মনোবল সদায়ে অটুট থাকে। ৰাজ্যখনৰ চাহ উদ্যোগকে ধৰি প্ৰায় ১ লাখ অতিক্ষুদ্ৰ,ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ কাম-কাজ আৰম্ভ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সকলোবোৰ অৰ্থনৈতিক কাম-কাজ স্বাস্থ্যসন্মত বিধি- ব্যৱস্থা বাহাল ৰাখি জিলাসমূহত পূৰ্ণোদ্যমে আৰম্ভ কৰাৰ পদক্ষেপ ল'বলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে চতুৰ্দশ বিত্ত আয়োগৰ অধীনৰ কাম-কাজ তথা

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

হিতাধিকাৰীসকলৰ বিভিন্ন আঁচনিৰ কাম যাতে নিয়মীয়া আৰু অবিৰতভাৱে চলি থাকে সেই দিশত উপযুক্ত পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। জিলাসমূহত কৃষি কাৰ্য, মীন পালন ইত্যাদিৰ দৰে কাম-কাজ যাতে নিয়মীয়াকৈ চলি থাকে তাৰ বাবে পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আফ্ৰিকান ছ'ৱাইন ফিভাৰৰ দ্বাৰা  ৰাজ্যখনৰ বহুকেইখন জিলাৰ গাহৰি আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত গাহৰি পালকসকলক আস্থাত ৰাখি ভাৰত চৰকাৰে প্ৰদান কৰা নিৰ্দেশনা পালন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে তৃতীয় পৰ্যায়ৰ লকডাউনৰ সময়সীমা কাইলৈ অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰৰ পৰা নতুন নিৰ্দেশনা নহা পৰ্যন্ত পূৰ্বৰ নিৰ্দেশনা বাহাল ৰখাৰ বাবেও কয়। মুখ্যমন্ত্ৰীয়ে লগতে সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জিলাই জিলাই সামাজিক দূৰত্ব বজাই ৰাখিব পৰাকৈ বান আশ্ৰয় শিবিৰ, বান  পীড়িতৰ বাবে খাদ্য সামগ্ৰী মজুত, স্বাস্থ্য সেৱা ইত্যাদিৰ ব্যৱস্থা কৰিবলৈও জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত জিলাখনৰ এগৰাকী জ্যেষ্ঠ বিষয়াক বিশেষভাৱে দায়িত্বভাৰ অৰ্পণ কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা যুঁজত এতিয়ালৈকে অন্তৰ্ভুক্ত নোহোৱা জিলাসমূহৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ তালিকা প্ৰস্তুত কৰি এতিয়াৰে পৰা এই দিশত বিশেষভাৱে দায়িত্বভাৰ ন্যস্ত কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বানপানীৰ সময়ত যাতে বিদ্যুৎস্পৃষ্টৰ দৰে অবাঞ্চিত দুৰ্ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে শক্তি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক বিদ্যুৎ লাইনৰ মেৰামতিকে ধৰি অন্যান্য পদক্ষেপ এতিয়াৰ পৰা লোৱাৰ দিশত উপায়ুক্তসকলে নিৰীক্ষণ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ ঋতু বৃক্ষৰোপনৰ বাবে অনুকূল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক সংশ্লিষ্ট জিলাৰ বন বিষয়া, বৃক্ষৰোপনৰ লগত জড়িত স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত ব্যাপক বৃক্ষ ৰোপনৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে।

মত-বিনিময়ৰ সময়ত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ চিকিৎসা মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলক চিকিৎসা মহাবিদ্যালয়সমূহৰ চিকিৎসক, নাৰ্চকে ধৰি অন্যান্য কৰ্মচাৰীসকলে আগবঢ়াই অহা নিষ্ঠা, দায়বদ্ধ সেৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি আগন্তুক সময়ৰ প্ৰত্যাহ্বান ভালদৰে মোকাবিলা কৰাৰ দিশত চিকিৎসক তথা অন্যান্য কৰ্মচাৰীসকলৰ মনোবল বৃদ্ধিৰ পদক্ষেপ ল'বলৈ আহ্বান জনায়।

আজিৰ এই ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে বাৰ্তালাপ কৰাৰ সময়ত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, স্বাস্থ্য আৰু বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন শৃংখলা) জি পি সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অভিযান সঞ্চালক ডাঃ এছ লক্ষ্মণন উপস্থিত থাকে।

**বঃভাঃ / পুঃডেঃ য প্ৰঃকুঃব**
**১৬/৫/২০২০**